AJS-I

অসম ন্যায়িক সেৱা - ৯

# অসমীয়া

সময় ঃ ২ ঘণ্টা মুঠ নম্বৰ ঃ ৫০

১। 'অসমৰ নদীবান্ধ সমস্যাৰ বহনক্ষম সমাধান' বিষয়ক এখনি ৰচনা লিখক। ১০

*নাইবা*

অসমৰ গ্রাম্য অর্থনীতিৰ ভেটি সবলীকৰণৰ বাবে কিছু পৰামর্শ আগবঢ়াই ভাৰতৰ গ্রামোন্নয়ন মন্ত্রীলৈ এখন স্মাৰক পত্র লিখক।

২। ইংৰাজীলৈ অনুবাদ কৰক ঃ ৫+৫=১০

(ক) এই পট্টাৰ ম্যাদ উকলি গ'লে পট্টাদাৰক তেওঁৰ উত্তৰাধিকাৰী, প্রতিনিধি আৰু স্থলাভিষিক্তবিলাকক সেই মাটিৰ নতুন পট্টা লবলৈ প্রথমে সুবিধা দিয়া যাব, আৰু তেওঁ বা তেওঁবিলাকে সেই সুবিধা লব নুখুজিলে পট্টাদাৰৰ, তেওঁৰ উত্তৰাধিকাৰী, প্রতিনিধি আৰু স্থলাভিষিক্তবিলাকৰ স্বত্ব আৰু তেওঁৰ উত্তৰাধিকাৰী, প্রতিনিধি আৰু স্থলাভিষিক্তবিলাকৰ হাতেদি বা তেওঁবিলাকৰ অধীনে সেই মাটিত কাৰোবাৰ প্রজা বা বন্ধক সূত্রে ভোগ কৰিব পৰা স্বত্ব থাকিলেও সেই স্বত্ব সম্পূর্ণৰূপে ৰহিত আৰু শেষ হব।

(খ) এজাহাৰকাৰীৰ বিনীত নিবেদন এই যে ১ নং সাক্ষী এজাহাৰকাৰীৰ বিবাহিতা ছোৱালী আৰু বর্ত্তমান ৩ মাহৰ গর্ভৱতী। তাই ১৭/১২/০৯ তাৰিখে পিতৃ-গৃহলৈ ফুৰিবলৈ আহোতে সিদিনা ৰাতি ১নং আচামীয়ে আন আচামীগণৰ সহযোগত তাইৰ ইচ্ছাৰ বিৰুদ্ধে বলপূর্ব্বক ভাৱে তাইক অপহৰণ কৰি কোনোবা অজ্ঞাত ঠাইত লুকুৱাই ৰাখিছে। মোৰ উক্ত ছোৱালীজনীৰ লগত ঘটনাৰ সময়ত প্রায় ১৮০০০ হেজাৰ টকাৰ সোণৰ গহনা আছিল। ছোৱালীজনী আৰু গহনাখিনি আচামীৰ পৰা উদ্ধাৰ কৰি আচামীগণক যথোচিত শাস্তিৰ ব্যৱস্থা কৰাৰ প্রার্থনা জনালোঁ।

৩। তলত উল্লিখিত ইংৰাজী গদ্যাংশৰ অসমীয়া ভাঙণি লিখক ঃ ৫

"Above all things, integrity is the Judge's portion and proper virtue. It is the capacity to decide impartially which is the most important criterion for judging the performance of the Judges on the Bench." It is said that judging is a lonely job and Judges, more often than not, are islands.

৪। (ক), (খ) আৰু (গ) শব্দ সমষ্টি কেইটা শুদ্ধকৈ সজাই একোটিকৈ বাক্য ৰচনা কৰক ঃ ৩×২=৬

(ক) গৰম এলেহুৱা জনশূন্য গাঁৱৰ একেবাৰে হৈ দুপৰীয়াবোৰত দিনৰ আলিবাটবোৰ থাকে।

(খ) চৰাই-চিৰিকটিলৈকে আৰু যোৱালৈ জন্তু ডুব আৰু বেলিটো মানুহৰ পৰা চাই সকলোৱেই বাট থাকে।

(গ) নিজেই খায় পানী কেতিয়া থাকে মাছে পানীত বাবে নেজানে।

৫। তলত দিয়া *যি কোনো পাঁচটা* শব্দ ব্যৱহাৰ কৰি *পাঁচটা* বাক্য ৰচনা কৰক ঃ ৫

লটিঘটি, উদ্‌গনি, উচতনি, আপুৰুগীয়া, মইমতালি, পোটক, আওকাণ।

৬। ভিনিহি, জেঠেৰী, পেহা, জেঠাই, ঊনৈশ, দুকুৰি সাত, একক —শব্দকেইটাৰ অৰ্থ ইংৰাজীত বুজাই লিখক। (*যি কোনো পাঁচটা*) ৫

৭। চমুকৈ ভাব সম্প্ৰসাৰণ কৰক ঃ ৪

"স্বদেশ আৰু স্বজাতিৰ উন্নতিৰ মংগল-মন্দিৰৰ সিংহ দুৱাৰ হৈছে মাতৃভাষা।" (বেজবৰুৱা)

৮। অসমীয়া ভাষাত প্ৰচলিত তলৰ শব্দবোৰৰ কোনটো কোন বিদেশী ভাষাৰ পৰা অহা উল্লেখ কৰক (*যি কোনো পাঁচটা*) ঃ ৫

বেগম, পেচ্‌কৰ, চুলতান, ফৌজদাৰী, আচামী, মোকৰ্দমা, দেৱানী, উকীল, নাজিৰ, বাজেয়াপ্ত।

——— × ———